# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 31-03-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

রাজ্য চৰকাৰে গ্ৰহণ কৰা বহুমুখী বিকাশৰ কাৰ্যসূচীৰ অংশ  হিচাপে আজি বিশ্বনাথ জিলাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত ১৪০ কোটি ৬৯ লাখ টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ ১০ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰা আৰৰ্তভৱনৰ আজি উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে আজি মুকলি কৰা ১৫ কোটি ৫৭ লাখ টকা ব্যয়ৰে নিৰ্মিত বিশ্বনাথৰ স্বয়ংক্ৰিয় যান-বাহন উপযোগীতা পৰীক্ষা কেন্দ্ৰটো  দক্ষিণ-পূব এছিয়াৰ প্ৰথমটো এনে ধৰণৰ কেন্দ্ৰ আৰু যোৰহাটত শীঘ্ৰেই আন এটা কেন্দ্ৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিশ্বনাথৰ এই কেন্দ্ৰটোৱে জিলাখনৰ লগতে শোণিতপুৰ আৰু লখিমপুৰ জিলাৰ বাবে সেৱা আগবঢ়াব। ইয়াৰ ফলত জিলাকেইখনত মেনুৱেল ফিটনেছ পৰীক্ষা সম্পূৰ্ণৰূপে নোহোৱা হ'ব। ৰূপান্তৰমুখী এই পদক্ষেপে গাড়ীৰ গৰাকীসকলক সহায় কৰিব বুলিও ড০ শৰ্মাই মন্তব্য কৰে।

ড০ শৰ্মাই আজি কেন্দ্ৰটো উদ্বোধনৰ পাছত পৰিবহন বিভাগ আৰু কেন্দ্ৰৰ পৰিচালনাৰ দায়িত্বত থকা কোম্পানীটোৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। এক কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা জনজাতীয় জিৰণি গৃহ আৰু অতিৰিক্ত সহকাৰী আয়ুক্তৰ আবাসগৃহটো উদ্বোধন কৰে। ৯১ লাখ টকা ব্যয়ৰে এই গৃহটো নিৰ্মাণ কৰা হৈছে। ড০ শৰ্মাই বিধানসভা সমষ্টিসমূহত স্থাপন কৰিবলগীয়া ড্ৰাইভিং স্কুলৰ বিষয়ে সাংবাদিকক জানিবলৈ দিয়ে।

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে আজি বিশ্বনাথ ঘাটৰ পৰা ওমা টুমনি নদী দ্বীপ সংযোগী ৰজ্জু পথ নিৰ্মাণৰ ভূমিপূজন আৰু আধাৰশিলা স্থাপন কৰে। ৰাজ্যৰ অন্যতম পৰ্যটন কেন্দ্ৰ গুপ্তকাশী হিচাপে জনাজাত এই দ্বীপটোলৈ যাত্ৰা সুগম কৰাৰ বাবে ৫৮ কোটি ৮১ লাখ টকা ব্যয়ৰে এই প্ৰকল্প সম্পূৰ্ণ কৰা হ'ব। অহা মাহৰ প্ৰথম সপ্তাহত এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব আৰু দুবছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ড০ শৰ্মাই বিশ্বনাথৰ বৰগাওঁৰ ধেমাজিবাৰীত নতুন ঔদ্যোগীক পামৰ আধাৰশিলাও স্থাপন কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি কৰা ঘোষণা সন্দৰ্ভত নগৰখনৰ

নাগৰিকৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী বাতৰি বিভাগে কালি সন্ধিয়া প্ৰচাৰ কৰা বিশেষ সংবাদ চলন্তিকা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৮ বজাত পুনৰ প্ৰচাৰ কৰিব।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত 'জিলাৰ ৰেহৰূপ' অনুষ্ঠান কাইলৈৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। একেদৰে বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ'ব।

ooooo

বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো আজি উলহ-মালহেৰে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন কৰা হৈছে। দিনৰ ভাগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ঈদ উপলক্ষে ৰাজ্যৰ মছজিদ আৰু ঈদগাহসমূহ আটকধুনীয়াকৈ সজাই তোলা হৈছে। লগতে অতিথিক আপ্যায়নৰ বাবে ইছলামধৰ্মী লোকসকলে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰিছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাৰো ঈদগাহ আৰু মছজিদসমূহত ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজ পঢ়ি ইজনে সিজনক শুভেচ্ছা জ্ঞাপন কৰে। জিলাখনৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেঙনিকটীয়া, ষ্টেচন চাৰিআলি আদি অঞ্চলত শান্তিপূৰ্ণভাৱে ঈদ পালন কৰা হয়। উজনি অসমৰ লখিমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট আদি জিলাতো আজি উলহ-মালহেৰে ঈদৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ooooo

বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ওপজা দিনটো আজি সমগ্ৰ ৰাজ্যজুৰি ছাত্ৰ দিৱস হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আজি কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা প্ৰথম বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্মাৰক বক্তৃতানুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে - শান্তিৰ আৰ্হিস্বৰূপ, বড়োলেণ্ডৰ ৰূপান্তৰ আৰু ভৱিষ্যতৰ লক্ষ্য শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়ায়।

উপেন্দ্ৰনাথ ব্ৰহ্ম বড়োসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয়, যে বিটিআৰৰ অন্যান্য ক্ষুদ্ৰ জাতি, জনগোষ্ঠীয়ে যাতে বৈষম্যৰ বলি হোৱা বুলি নাভাবে তাৰ বাবে বিটিআৰ প্ৰশাসনে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ ভিতৰত উল্লেখনীয়ভাৱে অঞ্চলটোৰ প্ৰত্যেকটো জনগোষ্ঠীৰ বাবে ভাষা-সংস্কৃতি সংগ্ৰহালয় গঢ়ি তুলিব বিচৰা হৈছে বুলি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ বাবে প্ৰতিটো জাতি, জনগোষ্ঠীৰ বাবে ২০ লাখকৈ টকা প্ৰদান কৰা হ'ব। ছাত্ৰ দিৱসৰ সৈতে সংগতি ৰাখি তেওঁ লগতে কটন বিশ্ববিদ্যালয়ত এটা ভাষা গৱেষণাগাৰো মুকলি কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা আৰু নাগালেণ্ড বিশ্ববিদ্যালয় উপাচাৰ্য সমুদ্ৰগুপ্ত কাশ্যপ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

ডিব্ৰুগড় জিলাৰ কানৈ বাণিজ্য মহাবিদ্যালয়তো গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে ছাত্ৰ দিৱস পালন কৰা হয়। ছাত্ৰনেতাগৰাকীৰ সোঁৱৰণত আয়োজিত ছাত্ৰ দিৱসৰ মুকলি সভাত ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে প্ৰয়াত ব্ৰহ্মৰ আদৰ্শৰাজী উল্লেখ কৰাৰ লগতে সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত এগৰাকী সফল ছাত্ৰনেতা হিচাপে নিজৰ দক্ষতা আৰু প্ৰতিভাৰ প্ৰমাণ কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে ব্ৰহ্মৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী তথা শিক্ষক আৰু কৰ্মচাৰীকসকলক সামূহিক উন্নয়নৰ স্বাৰ্থত কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০০

সমাপ্ত